**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১। মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত শীঘ্ৰে ন্যায় প্ৰদানৰ বাবে অধিবক্তাসকলক ন্যায় পালিকাৰ সৈতে সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

২। বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলক সুৰক্ষা প্ৰদান কৰাটো বাংলাদেশ চৰকাৰৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। নাগালেণ্ডৰ কোহিমাৰ সমীপৰ কিছামা গাঁৱত বৰ্ণাঢ্য কাৰ্যসূচীৰে হৰ্ণবিল মহোৎসৱ আৰম্ভ।

৪। জনসাধাৰণৰ মাজত এইছ্ আই ভি সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে বিশ্ব এইডছ্ দিৱস পালন। ***আৰু***

৫। যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ অহা ৪ৰ পৰা ৭ ডিচেম্বৰলৈ ডিব্ৰুগড় আৰু ধুবুৰীৰ মাজত বিশেষ ৰে'ল চলাচলৰ সিদ্ধান্ত।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুইৰ সৈতে কাছাৰ জিলাত লক্ষীপুৰ মহকুমা ন্যায়িক দণ্ডাধীশ আদালত ভৱনৰ উদ্বোধন কৰে। এই ভৱনটো প্ৰায় ৩ কোটি ৭৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা হৈছে। ন্যায়িক ভৱনটোৱে লক্ষীপুৰৰ লগতে কাছাৰ জিলা তথা সামগ্ৰিকভাৱে বৰাক উপত্যকাৰ ন্যায়িক ব্যৱস্থাটোক অধিক গতিশীল কৰি তুলিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলাসকলৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ কৰাৰ লগতে তেওঁলোকক এনেক্ষেত্ৰত শীঘ্ৰেই ন্যায় প্ৰদানৰ বাবে অধিবক্তাসকলক ন্যায় পালিকাৰ সৈতে সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ কয়, যে ন্যায় প্ৰদানত বিলম্ব হোৱাটোৱে সমগ্ৰ প্ৰক্ৰিয়াটোৰ গুৰুত্ব লাঘৱ কৰে। সেয়েহে এনেক্ষেত্ৰত ততালিকে ব্যৱস্থা গ্ৰহণৰ বাবে তেওঁ আইনী প্ৰক্ৰিয়াৰ সৈতে জড়িতসকলক আহ্বান জনায়।

০০০০

বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলক সুৰক্ষা প্ৰদান কৰাটো বাংলাদেশ চৰকাৰৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কূটনৈতিক ব্যৱস্থাৰ জৰিয়তে বাংলাদেশ চৰকাৰে যাতে সংখ্যালঘু হিন্দুসকলক সুৰক্ষা প্ৰদান কৰে তাৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয়, যে সমগ্ৰ ভাৰতবাসীয়ে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলৰ লগত আছে।

**বাইট (চি এম)**

০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কাইলৈ বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউত অসম দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। জিলা প্ৰশাসন আৰু কেইবাটাও সংগঠনৰ সহযোগত

দিনজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি পুৰা আমন্ত্ৰিত অতিথিসকলে পৰম্পৰাগত পূজাত অংশগ্ৰহণ কৰিব। মন্ত্ৰী যোগেন মহন আৰু বিমল বৰা এই কাৰ্যসূচীত উপস্থিত থকাৰ কথা।

০০০০

নাগালেণ্ডৰ কহিমাৰ সমীপৰ কিচামা গাওঁত বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হৈছে। ৰূপালী জয়ন্তী বৰ্ষত প্ৰৱেশ কৰা এই মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিভিন্ন নাগা ফৈদৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য বহন কৰা নৃত্য-গীতেৰে উৎসৱস্থলী মুখৰ হৈ পৰিছে। এইবাৰৰ এই হৰ্ণবিল উৎসৱত নাগালেণ্ড চৰকাৰৰ লগতে ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই সহযোগিতা আগবঢ়াইছে। ছিকিম আৰু তেলেংগানায়ো ১০ দিনীয়া এই মহোৎসৱত সহযোগিতা আগবঢ়াইছে। মহোৎসৱৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানত ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰতস্থিত ৰাষ্ট্ৰদূতসকলক সম্বৰ্ধনা জনোৱা হৈছে। বিশিষ্ট সংগীত শিল্পী এ আৰ ৰহমানে এই উদ্বোধনী অনুষ্ঠানত গীত পৰিবেশন কৰাৰ বাবে উপস্থিত হৈছে। নিজৰ ভাষণত শিল্পীগৰাকীয়ে নাগালেণ্ডৰ সংস্কৃতি আৰু জীৱনশৈলীৰ প্ৰশংসা কৰে।

০০০০

জনসাধাৰণৰ মাজত এইছ্ আই ভি সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে আজি দেশজুৰি বিশ্ব এইডছ্ দিৱস পালন কৰা হয়। এই দিনটোৰে জনসাধাৰণক HIVৰ বিৰুদ্ধে যুঁজ দিবলৈ একগোট হোৱাৰ লগতে এইডছ্ সংক্ৰমিত লোকৰ প্ৰতি সমৰ্থন জনোৱাৰ সুযোগ প্ৰদান কৰে। ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ সংস্থাই ১৯৯২ চনৰে পৰা প্ৰতি বছৰে আজিৰ দিনটোত বিশ্ব এইডছ্ দিৱস পালন কৰি আহিছে। এইবাৰৰ এইডছ্ দিৱসৰ মূল বিষয়বস্তু হ'ল- **মোৰ স্বাস্থ্য মোৰ অধিকাৰ।**

নগাঁৱৰ নেহৰুবালিত অসম ৰাজ্যিক এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে এই দিৱস অনুষ্ঠিত হয়। এই অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভিডিঅ' বাৰ্তাৰ জৰিয়তে এই অনুষ্ঠানত এইডছৰ সজাগতা সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই যুৱ প্ৰজন্মক এইডছ্ সংক্ৰমিত হ'ব পৰা কাৰকসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে ৰাজ্যৰ দহখন জিলাত উদ্বেগজনকভাৱে এইছ্ আই বি আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে আৰু এই জিলাসমূহৰ ভিতৰত নগাঁও জিলাত আক্ৰান্তৰ সংখ্যা অধিক। এইডছ্ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰা সংগঠনসমূহক পুৰস্কৃত কৰাৰ লগতে এইছ্ আই ভি সংক্ৰমণ ধৰা পেলোৱাৰ বাবে ব্যাপক হাৰত পৰীক্ষা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি শ্ৰীমহন্তই প্ৰকাশ কৰে।

**বাইট (কেশৱ মহন্ত)**

অনুষ্ঠানটোত শ্ৰীমহন্তই অসম ৰাজ্যিক ৰক্ত সংৰচন পৰিষদে ব্যৱস্থাপনা কৰা স্বেচ্ছামূলক ৰক্তদান শিবিৰ মুকলি কৰে। এইডছ্ সংক্ৰান্তীয় তথ্য, শিক্ষা আৰু যোগাযোগৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ বিপণীসমূহৰো অনুষ্ঠানত মুকলি কৰা হয়। ইয়াৰ লগতে যোৱা ২২ আগষ্টৰ পৰা সাতদিনীয়াকৈ অনুষ্ঠিত কৰা বিস্তৃত তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ১০ খন জিলাক অনুষ্ঠানটোত বঁটা প্ৰদান কৰা হয়।

ৰাজ্যৰ আন আন জিলাসমূহৰ দৰে মৰিগাঁও জিলা সদৰতো এই দিৱসৰ সৈতে সংগতি ৰাখি ভালেকেইটা কাৰ্যসূচী গ্ৰহণ কৰা হয়। মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা নাৰ্চসকলে সজাগতামূলক শোভাযাত্ৰা উলিয়ায়।

বৰপেটা জিলাতো এইডছ্ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে সজাগতামূলক সমদল উলিওৱাৰ লগতে বাটৰ নাট প্ৰদৰ্শন কৰা হয়।

যোৰহাটত জিলা স্বাস্থ্য সমিতি আৰু এইডছ্ নিয়ন্ত্ৰণ কোষৰ উদ্যোগত বিশ্ব এইডছ্ দিৱস পালন কৰা হয়।

অন্যান্য জিলাসমূহৰ দৰে শিৱসাগৰ জিলাতো এই দিৱসৰ সৈতে সংগতি ৰাখি সজাগতামূলক সভা অনুষ্ঠিত হয়।

০০০০

এইডছ্ আই ভি আক্ৰান্ত লোকসকলৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি মধ্যপ্ৰদেশত আয়োজিত বিশ্ব এইডছ্ দিৱসৰ অনুষ্ঠানত আহ্বান জনায়। ইন্দোৰত আয়োজিত এই অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইডছ্ আই ভি আক্ৰান্ত লোকসকলৰ মানৱ অধিকাৰৰ সুৰক্ষা প্ৰদান কৰা বিষয়তে গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে এইডছ আই ভি সুৰক্ষা আইন ২০১৭ ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে এই লোকসকলৰ সৈতে হোৱা বৈষম্য দূৰ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এইডছ্ আই ভি পৰীক্ষা তথা চিকিৎসাৰ বাবে কাৰ্যকৰী পদক্ষেপ লোৱাৰ পাছত দেশত এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ হাৰ ৭৯ শতাংশ হ্ৰাস হোৱা বুলিও শ্ৰীনাড্ডাই জানিবলৈ দিয়ে। তদুপৰি দেশত নতুনকৈ এই ৰোগত সংক্ৰমিত লোকৰ সংখ্যাও ৪৪ শতাংশ হ্ৰাস হোৱা বুলি তেওঁ প্ৰকাশ কৰে। ভাৰতত এই ৰোগৰ ফলপ্ৰসূ তথা কম ব্যয়বহুল ঔষধ প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশত সম্প্ৰতি এইডছ্ আই ভি আক্ৰান্ত ১৭ লাখ ৩০ হাজাৰ লোকৰ ভিতৰত ৯৫ শতাংশ ৰোগীৰ চিকিৎসা চলি আছে। ২০৩০ চনৰ পূৰ্বে ভাৰত এই ৰোগৰ পৰা মুক্ত হ'ব বুলি কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভূবনেশ্বৰত অনুষ্ঠিত সৰ্বভাৰতীয় আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহা পৰিদৰ্শকৰ বাৰ্ষিক সন্মিলনৰ আজি অন্তিম দিনা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সুৰক্ষাজনিত গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনাত মিলিত হয়। এই আলোচনাকালত চাইবাৰ অপৰাধ, উপকূলীয় অঞ্চলৰ সুৰক্ষা তথা মাওবাদী সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ে স্থান লাভ কৰে। সন্মিলনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, গৃহ সচিব গোবিন্দ মোহন আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল উপস্থিত থাকে। সন্মিলনত আৰক্ষীৰ জ্যেষ্ঠ বিষয়া তথা বিভিন্ন নিৰাপত্তা সংস্থাৰ মুৰব্বীসকলৰ সৈতে সন্ত্ৰাসবাদ বিৰোধী ৰণকৌশল, ড্ৰোন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ লেখিয়া শেহতীয়া প্ৰযুক্তিয়ে অনা প্ৰত্যাহ্বানকে ধৰি ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সঠিক পথ অৱলম্বন কৰা সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰধানমন্ত্ৰী তথা প্ৰতিনিধিবৰ্গই আৰক্ষীয়ে কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা আন্তঃগাথনিমূলক সমস্যা সন্দৰ্ভতো আলোচনা কৰে।

০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৰে যাত্ৰীৰ অতিৰিক্ত ভীৰ নিয়ন্ত্ৰণৰ বাবে অহা ৪ ৰ পৰা ৭ ডিচেম্বৰলৈ ডিব্ৰুগড় আৰু ধুবুৰীৰ মাজত বিশেষ ৰেল চলাচলৰ সিদ্ধান্ত লৈছে। এই ৰেলখনত ২২ টা দবা থাকিব। এ চি থ্ৰি টায়াৰ, শ্লীপাৰ শ্ৰেণী আৰু সাধাৰণ শ্ৰেণীৰ দবা ৰেলখনত উপলব্ধ হ'ব। ইপিনে ৬ ৰ পৰা ২৯ ডিচেম্বৰলৈ কামাখ্যা আৰু আনন্দ বিহাৰ টাৰ্মিনেলৰ মাজত উভয় দিশত ৪ টা যাত্ৰাৰ বাবে বিশেষ ৰেলৰ চলাচলৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলি উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

উজনি অসমৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলৰ সামগ্ৰিক কল্যাণৰ বাবে উজনি অসম মুছলীম কল্যাণ পৰিষদে অসম বিধানসভাত ৩ খন আৰু ৰাজ্যসভাৰ এখন আসন মুছলমানৰ বাবে সংৰক্ষণৰ দাবী উত্থাপন কৰিছে। আজি শিৱসাগৰত পৰিষদৰ কেন্দ্ৰীয় সভাপতি মনিৰুল ইচলাম বৰাই এখন সংবাদমেলযোগে এই দাবী উত্থাপন কৰে। তেওঁ চৰকাৰী চাকৰিৰ ক্ষেত্ৰত মুছলমানৰ বাবে ১৫ শতাংশ সংৰক্ষণ, ন্যায়াধীশ ৰাজীন্দৰ সিং চাচৰৰ প্ৰতিবেদনৰ পৰামৰ্শৱলী কাৰ্যকৰী কৰাকে ধৰি কেইবাটাও দাবী সংবাদমেলযোগে উত্থাপন কৰে।

০০০০

অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ উদ্যোগত আজিৰে পৰা ৰাজ্যজুৰি বুথে বুথে মহিলা কংগ্ৰেছ সদস্য ভৰ্তি অভিযান অনুষ্ঠিত হৈছে। গুৱাহাটী মহানগৰীৰ ভেটাপাৰাত মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামী আৰু প্ৰদেশ কংগ্ৰেছ সমিতিৰ সাধাৰণ সম্পাদক বিপুল গগৈয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে একেটা বুথত দহগৰাকী মহিলা সদস্যক অন্তৰ্ভুক্ত কৰা হ'ব। গুৱাহাটী মহানগৰীৰ এহেজাৰ ৩৫টা বুথত এই প্ৰক্ৰিয়া চলি থাকিব।

০০০০

বৰপেটা জিলা অসামৰিক চিকিৎসালয়ত আজি এটা আই চি ইউ কক্ষ মুকলি কৰা হয়। বৰপেটা স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিতে মুকলি কৰা এই কক্ষত ১৪ খন বিছনাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে চাৰিখন বিছনা বিশেষভাৱে শিশু ৰোগীৰ বাবে সংৰক্ষিত কৰা হৈছে। উল্লেখযোগ্য যে চিকিৎসালয়খনত শিশুৰ বাবে সম্পূৰ্ণ পৃথক আই চি ইউ কক্ষ আছে যদিও অতিৰিক্তভাৱে এই সুবিধা সংযোজিত কৰা হৈছে।

০০০

গোলাঘাট জিলাৰ বোকাখাট সমজিলা ভাৰোত্তলন সংস্থাৰ উদ্যোগত আজি পঞ্চম জিলা ভিত্তিক বাৰ্ষিক ভাৰোত্তলন প্ৰতিযোগিতা অনুষ্ঠিত হয়। মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰা এই প্ৰতিযোগিতাৰ আৰম্ভণিতে কেইবাগৰাকীও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ক্ৰীড়াবিদক সম্বৰ্ধনা জনোৱা হয়।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ চমুকৈ বি চি চি আইৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ সহযোগত বৰপেটাত অনুষ্ঠিত কোচবিহাৰ ট্ৰফী প্ৰতিযোগিতাৰ অসম দলে জয়লাভ কৰে। দলটোৱে কেৰালাক ২৫৫ ৰানত পৰাস্ত কৰে। দুটাকৈ ইনিংছৰ খেলখনত অংশুমান মালাকাৰে নেতৃত্ব দিয়া অসম দলে প্ৰথম ইনিংছত ২৩৩ ৰান সংগ্ৰহ কৰে। দ্বিতীয় ইনিংছত দলটোৱে ২২৪ ৰান কৰিবলৈ সমৰ্থ হয়। ইয়াৰ বিপৰীতে কেৰালা দলে প্ৰথম ইনিংছত ১৮০ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে দ্বিতীয় ইনিংছ ৯১ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। উল্লেখযোগ্য যে বৰপেটা ক্ৰীড়া সন্থাৰ খেলপথাৰত চাৰিদিনীয়াকৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

০০০০

আকাশবাণী গুৱাহাটীৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া চলন্তিকা অনুষ্ঠানত ধুবুৰী ফুলবাৰী দলঙৰ নিৰ্মাণকাৰ্য সন্দৰ্ভত আমাৰ ধুবুৰী জিলাৰ সংবাদদাতা প্ৰদীপ সাহা আৰু দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ সংবাদদাতা জেছমিনাৰা পাৰবীনৰ প্ৰতিবেদনৰ ওপৰত যুগুত কৰি প্ৰস্তুত কৰা অনুষ্ঠান শুনিবলৈ পাব। অনুষ্ঠানটিৰ প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**